# <u>অসম বিধান সভা</u>
## ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ৩৯১

**বিষয়ঃ মথাউৰি / গৰাখহনীয়া প্ৰতিৰোধ**

**শ্ৰীমজিবুৰ ৰহমান, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) সমগ্ৰ ৰাজ্যখনত জলসম্পদ বিভাগে বিগত দুটা বিত্তীয় বৰ্ষত মুঠ কিমান টকা মঞ্জুৰী দিছিল? তাৰে কিমান টকা খৰচ হ'ল? বৰ্ষ অনুযায়ী খৰচৰ হিচাব সদনত দাখিল কৰিব।

(খ) দলগাঁও সমষ্টিত বিগত দুটা বৰ্ষত কিমানটা বান্ধ আৰু মথাউৰি আঁচনিৰ কাম সম্পূৰ্ণ কৰিছে? আঁচনিৰ নাম, মঞ্জুৰীকৃত ধনৰ পৰিমাণ, কামৰ অগ্ৰগতিৰ খতিয়ান সদনত দাখিল কৰিব।

(গ) উক্ত সমষ্টিত টাংনী আৰু ধনশ্ৰী নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বিভাগ তথা চৰকাৰে কি পৰিকল্পনা হাতত লৈছে? বিতং তথা সদনত দাখিল কৰিব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**–উত্তৰ–**

(ক) জলসম্পদ বিভাগৰ অধীনত বিগত দুটা বিত্তীয় বৰ্ষত মুঠ ৪১২১.৯৯ কোটি টকাৰ মঞ্জুৰী লাভ কৰা হৈছে। তাৰে বৰ্ত্তমানলৈ ৩৩২৪.৫২ কোটি টকা খৰচ কৰা হৈছে। বৰ্ষ অনুযায়ী খৰচৰ সবিশেষ হিচাপ '**পৰিশিষ্ট-ক**' ত দাখিল কৰা হ'ল।

(খ) দলগাওঁ বিধান সভা সমষ্টিত বিগত দুটা বৰ্ষত ৩ টা মথাউৰি আঁচনিৰ কাম চলি আছে। আঁচনিৰ নাম, মঞ্জুৰীকৃত ধনৰ পৰিমাণ আৰু কামৰ অগ্ৰগতিৰ খতিয়ানৰ সবিশেষ '**পৰিশিষ্ট-খ**' ত দাখিল কৰা হ'ল।

(গ) দলগাওঁ বিধান সভা সমষ্টিত টাংনী আৰু ধনশিৰি নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগৰ অধীনত ধনশিৰি নদীত সোঁপাৰে **SDMF** শিতানত **"Dhansiri eco defence project for flood management through Bio Engineering and composite launching technique"** নামৰ ১৯.৬৭ কোটি টকাৰ আঁচনিৰ জৰিয়তে ৭.৩০ কিঃমিঃ গৰাখহনীয়া প্ৰতিৰোধৰ কাম চলি আছে।

টাংনী নদীৰ দুয়োপাৰে **SDMF** ৰ শিতানত **"River bank geo-technical stabilization and erosion control program at different reaches of Tangni river"** নামৰ ২৩ কোটি টকাৰ এখন আঁচনি প্ৰস্তুত কৰা হৈছে। যাৱতীয় অনুমোদন পুঁজিৰ উপলভ্যতা সাপেক্ষে আঁচনিখনৰ কাম হাতত লব পৰা হ'ব।

(উক্ত প্ৰশ্নৰ উত্তৰসমূহৰ সৈতে "**পৰিশিষ্ট-ক**" আৰু "**পৰিশিষ্ট-খ**" অনলাইন যোগে NeVA পৰ্টেলত দাখিল কৰা হৈছে)

***************

Dy No: **13**
Asked by: **Shri Mazibur Rahman**

পৰিশিষ্ট-ক

| Year | Head of Account (HoA) | **Budget Provision** (Rs. In lakh) | **Expenditure incurred** (Rs. In lakh) |
|---|---|---|---|
| 2024-25 | Capital HoA | 207585.02 | 162398.448 |
| | Revenue HoA | 10000.01 | 5479.16 |
| 2025-26 | Capital HoA | 183213.49 | 155459.891 |
| | Revenue HoA | 11400.01 | 9114.69 |
| | **Total** | **4,12,198.53** | **3,32,452.189** |

9/7/26

Chief Engineer
Water Resources Department
Assam Water Centre
5th Floor, Basistha Chariali, Ghy. - 29

Dy No: 13
Asked by: Shri Mazibur Rahman

পৰিশিষ্ট-খ

Scheme related to construction of Embankment under Dalgaon LAC.

| Sl No | Fianacial Year | Name of Scheme Approved | Name of River and Bank | Approval Amount (Rs In Lakhs) | Head of Account | Length of New Embankment | Physical Progress | Financial Progress (Rs In Lakhs) | Status |
|---|---|---|---|---|---|---|---|---|---|
| 1 | 2025-26 | Construction of New Embankment from Chereng to Magurmari | Brahmaputra (Right Bank) | 2800.00 | RIDF-XXXI | 14 Km | 67.00% | 840.00 | Ongoing |
| 2 | | Construction of New Embankment at RB of Dhansiri river from Kopati to Shyampur | Dhansiri (Right Bank) | 2000.00 | RIDF-XXXI | 16 Km | 60.00% | 600.00 | Ongoing |
| 3 | | Construction of New Embankment at LB of Dhansiri river from Kopati to Thalthali | Dhansiri (Left Bank) | 437.50 | RIDF-XXXI | 3.50 Km | 56.00% | 0.00 | Ongoing |

2/7/26

Chief Engineer
Water Resources Department
Assam Water Centre
5th Floor, Basistha Chariali, Ghy. - 29